জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৬৬/২০২২**

# বিশিষ্ট সাহিত্যিক তথা সমাজতত্ত্ববিদ ড° প্ৰফুল্ল মহন্তৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২ ছেপ্টেম্বৰ ঃ** বিশিষ্ট সাহিত্যিক তথা সমাজতত্ত্ববিদ ড° প্ৰফুল্ল মহন্তৰ বিয়োগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক শোকবাৰ্তাযোগে মুখ্যমন্ত্ৰীয়ে কয় যে 'অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস', 'সমাজ নায়ক শংকৰদেৱ' আদিকে ধৰি ভালেমান তত্ত্বগধুৰ গ্ৰন্থৰ প্ৰণেতা চিন্তাশীল লেখকগৰাকীয়ে তেওঁৰ সৃষ্টিৰাজিৰে অসমীয়া সাহিত্যক চহকী কৰি থৈ গৈছে। তদুপৰি এগৰাকী শিক্ষাবিদ হিচাপেও তেখেতে ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰলৈ যথেষ্ট অৱদান আগবঢ়াইছিল। 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা' (আবিলাক)ৰ সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰা খ্যাতনামা বুদ্ধিজীৱীগৰাকীৰ মৃত্যু অসমৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে অভিহিত কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই ড° প্ৰফুল্ল মহন্তৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**নিঃকুঃদাঃ**
**২/০৯/২০২২**